# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | DECEMBER 2023 | No. 06


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক !

**যিচয়া ৯:১-৬**

১। কিন্তু যি দেশ দুখত আছিল তাত আন্ধাৰ নাথাকিব। তেওঁ আগৰ কালত জবুলূন আৰু নপ্তালী দেশক নীহ অৱস্থালৈ আনিছিল, কিন্তু অন্তিম কালত সমুদ্ৰৰ ওচৰৰ পথ, যৰ্দ্দনৰ পাৰ, জাতিবিলাকৰ গালীল মৰ্যদাৱন্ত কৰিলে।

২। যি জাতি আন্ধাৰত ফুৰিছিল, তেওঁবিলাকে মহাজ্যোতি দেখিবলৈ পালে, যিবিলাকে মৃত্যু ছায়াৰ দেশত বাস কৰিছিল, তেওঁবিলাকৰ ওপৰত দিপ্তী প্ৰকাশিত হ'ল।

৩। তুমি সেই জাতিক বৃদ্ধি কৰিলা, তুমি তেওঁবিলাকৰ আনন্দ বঢ়ালা, শস্য দোৱা সময়ত আনন্দ কৰাৰ আৰু লুটদ্ৰব্য ভাগ বাটি লোৱা সময়ত উল্লাস কৰাৰ দৰে তেওঁবিলাকে তোমাৰ সাক্ষাতে আনন্দ কৰে।

৪। কিয়নো তুমি মিদিয়নৰ দিনত কৰা নিচিনাকৈ তেওঁবিলাকৰ ভাৰস্বৰূপ যুৱলি, তেওঁবিলাকৰ কান্ধৰ কাণমাৰি আৰু তেওঁবিলাকৰ উপদ্ৰৱকাৰীৰ দণ্ড ভাঙি পেলালা।

৫। কাৰণ ঘোৰ যুদ্ধত সুসজ্জিত থকা সৈন্যৰ সকলো প্ৰকাৰ সাজু আৰু তেজেৰে লেটিপেটি হোৱা পোচাক জুইৰ খৰি কৰি পোৱা যাব।

৬। কিয়নো আমালৈ এটি ল'ৰা জন্মিল, আমাক এটি পুত্ৰ দান কৰা হ'ল, আৰু তেওঁৰ কান্ধত শাসনভাৰ অৰ্পিত হ'ব আৰু তেওঁ আশ্চৰ্য মন্ত্ৰী, পৰাক্ৰমী ঈশ্বৰ, অনন্তকালস্থায়ী পিতৃ আৰু শান্তিৰাজ নামেৰে প্ৰখ্যাত হ'ব।

## ৰাজকুমাৰৰ উপহাৰ !

**THE GIFT OF THE PRINCE!**


**ৰেভাঃ এঞ্জেলিন ছেলভাকুমাৰী**




যেতিয়ালৈ মই শিশু হৈ আছিলো, বৰদিনে মোৰ হৃদয়ত সদায় এটা বিশেষ স্থান লাভ কৰিছিল। বৰদিনে এটা অবৰ্ণনীয় আনন্দ দিয়ে। যেতিয়া মই যুৱতী হৈ আছিলো, নতুন কাপোৰ বা উপহাৰ বা ঘৰ সজাবলৈ বা ৰঙীন কাগজ বা সজোৱা লাইট কিনিবলৈ আমাৰ হাতত যথেষ্ট টকা নাছিল। এখনহে বিছনা লগাব পৰা ঘৰত থাকিছিলো আৰু সীমিত আহাৰ খাইছিলো, কিন্তু মোৰ পিতৃ-মাতৃয়ে সদায় আমাৰ শিশুকাল সুন্দৰ আৰু অৰ্থপূৰ্ণ কৰিবলৈ উপায় বিচাৰি পাইছিল। মোৰ ভাইসকল আৰু মই সদায় তেওঁলোকৰ প্ৰচেষ্টাৰ বাবে চিৰকৃতজ্ঞ। এটি বিস্ময়কৰ সময় আছিল! ককা-আইতাক পৰিদৰ্শন কৰিবলৈ যোৱাটো, সম্পৰ্কীয় ভাই-ভনীসকলক লগ কৰিবলৈ যোৱাটো, টোপনি নভঙা চকুযুৰি লৈ ৰাতিপুৱাতে গীৰ্জালৈ যোৱাটো, গোটখোৱা আটাই পৰিয়ালসকলৰ সৈতে সুস্বাদু ভোজ খোৱাটো, খেল-ধেমালি আৰু আনকি মাজে মাজে ভাই-ভনীৰ মাজত কাজিয়া কৰা - এই সকলো বিষয়বোৰে সেইদিনবোৰক সঁচাকৈয়ে সুন্দৰ কৰি তুলিছিল।

আনকি এতিয়াও, প্ৰত্যেক বছৰে, মমবাতিৰ সুগন্ধি কুকুজৰ মিঠা সোৱাদ, সজোৱা ঝিকমিক লাইটবোৰ, আৰু ঠাণ্ডা বতাহ, তাৰ লগতে হৃদয়গ্ৰাহী কেৰল গোৱাটোৱে স্মৃতিক পুনৰ ঘূৰাই আনে।


৩ পৃষ্ঠাত চাওঁক



ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

Every day – From 2.00 A.M.

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




REACHING NATIONS

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



মোৰ প্ৰাণে তোমাক ধৰি ৰাখিছে, তোমাৰ সোঁহাতে
মোক ধৰি ৰাখিছে গীতমালা। - ৬৩ঃ৮

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**HON. EDITOR-IN-CHIEF**
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**GENERAL MANAGER**
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.

**ADMINISTRATION**
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

**EDITORIAL BOARD**
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**


Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858

**E.MAIL**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


ঈশ্বৰত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা প্ৰভু যীচু খ্ৰীষ্টৰ অতুলনীয় নামত শুভেচ্ছা জনাইছো। আমি আপোনালোকক আনন্দৰ বৰদিন আৰু আনন্দৰ শুভেচ্ছা জনাইছো।

আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীৰ পঢ়ুৱৈসকলৰ পৰা আৰু আমাৰ ইউ টিউব চেনেলৰ দৰ্শকৰ পৰা ঋণাত্মক সঁহাৰি পোৱাৰ বাবে প্ৰভু ঈশ্বৰক ধন্যবাদ জনাইছো। আমাৰ ইউ টিউব চেনেলৰ মাধ্যমেৰে প্ৰতিদিনে পুৱা ২ টা বজাৰ পৰা ইংৰাজী, হিন্দী, তামিল আৰু তেলেগুত প্ৰচাৰিত ৫.০০ মিনিটৰ বাৰ্তাক চাবলৈ আমি আপোনালোকক উৎসাহ যোগাইছো। কেৱল এই উদ্দেশ্যৰ বাবে আমি ব্যৱহাৰ কৰা মোবাইল ফোনৰ নম্বৰ +৯১-৯৮৪১০৭১৮৫৮ আপোনাৰ ফোনত চেভ কৰি লওক। লগতে আমি আপোনালোকক আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেলক চাব্‌চক্ৰাইব কৰিবলৈ অনুৰোধ জনাইছো। অতিৰিক্তভাৱে, মোক পোনেই যোগাযোগ কৰিবলৈ মোৰ মোবাইল নম্বৰ +৯১-৯৮৪১২৭১৮৫৮ চেভ কৰি লওক।

## তৰুণ-তৰুণী আৰু শিশুবিলাকৰ বাবে বিশ্বজোৰা দৰ্শন

গোটেই বিশ্বত থকা তৰুণ-তৰুণী আৰু শিশুবিলাকৰ যত্নৰ বাবে আৰু কল্যাণৰ বাবে ১ মিনিটৰ প্ৰাৰ্থনা কৰিবলৈ আমি এটা কাৰ্যসূচী আৰম্ভ কৰিছো। এই পৰিচৰ্যাত গোটেই পৃথিৱীৰ পৰা আমাৰ অনেক বন্ধুসকলে তেওঁলোকৰ নাম পঞ্জীয়ন কৰিছে। পঞ্জীয়নভুক্ত কৰা প্ৰত্যেকেই তেওঁলোকে কাম কৰা দেশৰ সময় অনুযায়ী প্ৰতিটো নিশা ১০ বজাত তলত উল্লেখ কৰা প্ৰাৰ্থনাটো কৰিবলৈ অনুৰোধ কৰিছো ঃ

"হে প্ৰিয় ঈশ্বৰ, আমি আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত প্ৰাৰ্থনা কৰিছো যে তুমি গোটেই পৃথিৱীত থকা তৰুণ-তৰুণী আৰু শিশুবিলাকক মাত ৰাখা।"



যুৱক-যুৱতী আৰু শিশুসকলৰ সৈতে প্ৰভূ যীচু খ্ৰীষ্ট

এই প্ৰাৰ্থনাৰ ফলস্বৰূপে, অনেক তৰুণ-তৰুণী আৰু শিশুবিলাকে প্ৰভু যীচু খ্ৰীষ্টৰ বাবে সাক্ষীৰ দৰে অংশলৈ আছে। আমাৰ প্ৰভু যীচু খ্ৰীষ্টলৈ কেৱল সকলো মহিমা আৰু আদৰ আগবঢ়াইছো। আমেন।

যদি আপুনি আপোনাৰ সন্তানবিলাকৰ নাম আমালৈ যোগাই দিয়ে, তেন্তে আমি তেওঁলোকৰ নাম আমাৰ প্ৰাৰ্থনাত অন্তৰ্ভূক্ত কৰিম। এই বিষয়ত কোনো ধৰণৰ ধন সাহায্য পঠোৱাৰ পৰা বিৰতে থাকক।

আমাৰ নিবেদিত সহকৰ্মীসকলৰ বহুতে যিবিলাকে আমাৰ পৰিচৰ্যাৰ সন্মুখভাগত পৰিচৰ্যা কৰি আছে, তেওঁলোকে বিভিন্ন ৰোগৰ সৈতে সংগ্ৰাম কৰি আছে আৰু ক্ষতিৰ সন্মুখীন হৈছে। আমাৰ সকলো দাসসকলৰ পৰিয়ালৰ পৰিস্থিতি, মঙ্গল আৰু নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আমি নম্ৰৰে আপোনালোকক অনুৰোধ জনাইছো। এই বছৰৰ আমাৰ নৱবৰ্ষৰ কাৰ্যসূচীটো ৩১ ডিচেম্বৰৰ নিশা ১০ টা বজাত আমাৰ ইউ টিউব চেনেলত সম্প্ৰচাৰ কৰা হ'ব। আপোনাৰ সুবিধামতে এই কাৰ্যসূচীক চাবলৈ আপোনাক আদৰণী জনাইছো।


**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ◘ BIBLECOR - Postal Courses (3 languages) ◘ YouTube Ministry ◘ Online Courses ◘ Theological Correspondence Courses (2 languages) ◘ Church Planting ◘ Nehemiah Bible Colleges ◘ Gospel Printing Press ◘ Great Commission Partners ◘ St. Paul's Matriculation School ◘ Crusades ◘ Community Development

ইয়াৰ বাবে আপোনাৰ স্থানীয় মণ্ডলীত যোগদান কৰিবলৈ অগ্ৰাহ্য নকৰিব। আপোনাৰ নিজৰ মণ্ডলীত যোগদান কৰাটো অতি প্ৰয়োজন।

জানুৱাৰী মাহৰ ২, ২০২৪ তাৰিখৰ পৰা জানুৱাৰী মাহৰেই ৭, ২০২৪ তাৰিখে পুৱা ৬ টা বজাত নৱ বৰ্ষত আশীৰ্বাদৰ বাবে বিশেষ প্ৰাৰ্থনাৰ সময় লোৱা হ'ব।

আমি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীখন ডাকযোগে পঠাই আছো। যি কি নহওক, আমি জ্ঞাত যে ইয়াক প্ৰত্যেকেই পাব পৰা নাই। আমাৰ আপডেটবিলাক আপুনি গ্ৰহণ কৰিছেনে নাই তাক নিশ্চিত কৰিবলৈ, অনুগ্ৰহ কৰি আপোনাৰ হোৱাটচ্এপ নম্বৰ আৰু ই-মেইল ঠিকনাটো নিৰাপত্তাৰ বাবে আমালৈ পঠাওক।

ডিচেম্বৰ মাহৰ বাবে আমি বিভিন্ন পৰিচৰ্যাসমূহৰ আয়োজন কৰি আছো আৰু ইয়াত কোনো বাধা নোহোৱাকৈ তেওঁলোক কৃতকাৰ্য্য হ'বলৈ নিৰন্তৰে প্ৰাৰ্থনা কৰক।

আনন্দৰ বৰদিন আৰু আশীৰ্বাদপ্ৰাপ্ত নৱ বৰ্ষৰ শুভেচ্ছা সকলোলৈ জনালো।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**
**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

১ পৃষ্ঠাৰ পৰা

কিছুমান ক্ষেত্ৰত, বৰদিনটোত এটা বেলেগ অভিজ্ঞতা হ'ব পাৰে। এইটো এটা চাপযুক্ত সময় হ'ব পাৰে যিয়ে আজি আমাৰ লগত নথকা আমাৰ প্ৰিয় লোকসকলৰ স্মৃতিবোৰ পুনৰ ঘূৰাই আনিছে। আন আন স্বাস্থ্য সম্পৰ্কীয় সমস্যাবোৰ বা আৰ্থিক সীমাবদ্ধতা হ'ব পাৰে। অপ্ৰতিৰোধ্য বৰদিনৰ হৈ চৈ আৰু ব্যস্ততাক কিছুমান মানুহে পাব পাৰে, কিছুমানে অকলশৰীয়া, দুখ বা নিৰাশ অনুভৱ কৰিব পাৰে। আনকি এনেদৰে কোৱাও শুনা যায় যে এই ঋতুত আত্মহত্যাৰ সংখ্যাও বেছি বাঢ়ে।

অতিৰিক্তভাৱে, যীচু খ্ৰীষ্টৰ জন্মৰ তাৰিখ ২৫ ডিচেম্বৰ হয় নে নহয় তাৰ বিষয়ে এটা বিতৰ্ক চলি থাকে। মোৰ বাবে প্ৰকৃত জন্ম তাৰিখটো গুৰুত্ব নহয়, কিয়নো যীচু খ্ৰীষ্ট যে এই পৃথিৱীত জন্ম গ্ৰহণ কৰিছিল এইটো বাস্তৱ আৰু ই এটা অলৰ সত্য। ঈশ্বৰৰ পুত্ৰই মানুহৰ পুত্ৰ হ'ল আৰু এইটোৱেই আটাইতকৈ ডাঙৰ বিষয়।

গতিকে, মই যি আটাইতকৈ মহান উপহাৰ পাইছো তাক মই এই পৃথিৱীৰ ওচৰত ঘোষণা কৰাৰ সুযোগ গ্ৰহণ কৰিছো - এইটো হৈছে যীচু খ্ৰীষ্টৰ জন্ম। মোৰ জীৱনৰ পৰিস্থিতি নিৰ্বিশেষে, মই এই উৎসৱটিক মোৰ পৰিয়াল আৰু বন্ধুসকলৰ সৈতে পালন কৰি ভাল পাওঁ। তাৰোপৰি পৰিয়াল নথকা লোকসকলক বা যিবিলাকে দুখ-কষ্টৰ মাজেদি গৈ আছে তেওঁলোককো অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰো। মোৰ লগত যি আছে তাক আনৰ সৈতে ভগাই দিবলৈ আৰু প্ৰেম, যত্নক দেখুৱাই দিবলৈ এইটোৱেই উচিত সময়।

বৰদিনৰ সময়ত এটা বিষয় বহুত স্বাভাৱিক যে, প্ৰায়েই উপহাৰ দিয়া আৰু গ্ৰহণ কৰাৰ লগত সংযুক্ত কৰা হয়। আমি আমাৰ সন্তানবিলাকৰ বাবে নতুন বস্ত্ৰ কিনিবলৈ ইচ্ছা কৰো আৰু আমাৰ প্ৰিয়জনৰ বাবে কিবা বিশেষ উপহাৰ কিনো আৰু আমাৰ আনন্দ তেওঁলোকৰ সৈতে ভগাই ল'বলৈ চেষ্টা কৰো যাতে আমি আমাৰ প্ৰেম আৰু যত্নক তেওঁলোকক দেখুৱাব পাৰো। পশ্চিমীয়া দেশসমূহত আগষ্ট মাহৰ পৰাই বৰদিন উপহাৰৰ বাবে মানুহবিলাকে বজাৰ কৰিবলৈ আৰম্ভ কৰি দিয়ে। অনেক দেশসমূহত বৰদিন উপহাৰ দিয়াটো ইমানেই গুৰুত্বপূৰ্ণ পৰম্পৰা হৈ পৰিছে যে মানৱজাতিলৈ ইতিমধ্যে ঈশ্বৰে দিয়া আটাইতকৈ উত্তম উপহাৰটোৰ বিষয়ে তথা যীচুৰ জন্মৰ বিষয়ে পাহৰি যায়।

## যীচু খ্ৰীষ্টৰ জন্মই আমাক পাঁচ বিধৰ উপহাৰ দান কৰে ঃ

### ১। এটি পৰিপূৰ্ণ প্ৰতিশ্ৰুতিৰ উপহাৰ!

যীচু খ্ৰীষ্টৰ জন্মই আমাক মনত পেলাই দিয়ে যে ঈশ্বৰে তেওঁৰ প্ৰতিশ্ৰুতিক পৰিপূৰ্ণ কৰে। তেওঁ যি কয় তাক পৰিপূৰ্ণ কৰিবই। তেওঁ কেতিয়াও মিছা নকয় বা কেতিয়াও মন সলনি নকৰে। কেতিয়াবা আনকি অলপ পলম হ'ব পাৰে বা কেতিয়াবা অলপ বংশৰো পাৰ হ'ব পাৰে কিন্তু তেওঁৰ প্ৰতিশ্ৰুতি সদায় পূৰ্ণ হ'ব। বাইবেলে কয়, **আকাশ আৰু পৃথিৱী লুপ্ত হ'ব, কিন্তু মোৰ বাক্য হ'লে লুপ্ত নহ'ব।** মথি ২৪ঃ৩৫। আমি প্ৰায়



**আমাৰ বাবে এটি শিশু জন্মিল!**

সময়ত এসপ্তাহ, দুসপ্তাহত বা এবছৰৰ পাছত এৰি দিওঁ। এটা বিষয় আমি সদায় মনত ৰাখিব লাগিব যে যেতিয়া ঈশ্বৰে কিবা এটা কৰিম বুলি কয়, তেওঁ তাক কৰিবই। এনেকৈ আমাৰ সময়তো ঘটিব পাৰে বা আনকি সন্তানসকলৰ জীৱনতো ঘটিব পাৰে। **ঈশ্বৰে যিহূদা লোকসকলৰ বাবে মছীহা এজন পঠাম বুলি প্ৰতিশ্ৰুতি দিছিল আৰু তেওঁ এজনক পঠালে!**

বাইবেল বিদ্বানবিলাকে কয় যে পুৰণি নিয়মত যীচু খ্ৰীষ্টৰ জন্মৰ সৈতে সংগতি থকা প্ৰায় ৪৪ টা প্ৰতিশ্ৰুতি পৰিপূৰ্ণ হৈছে। উদাহৰণস্বৰূপে, আদিপুস্তক ৩ঃ৫ পদত লিখা আছে এগৰাকী কুমাৰীৰ পৰা জন্ম ল'ব, এই যি ভৱিষ্যবাণী মথি ১ঃ২০ পদত পৰিপূৰ্ণ হৈছিল। তেওঁৰ জন্মৰ আন এটা ভৱিষ্যবাণী পৰিপূৰ্ণ হৈছে (মীখা ৫ঃ২, মথি ২ঃ১)। এনেদৰে ভৱিষ্যবাণী পৰিপূৰ্ণ হোৱাৰ আৰু অধিক তালিকা প্ৰস্তুত

কৰিব পাৰো, কিন্তু আমি বুজিবলৈ গুৰুত্বপূৰ্ণ বিষয়টো এইয়ে যে ঈশ্বৰৰ লোকসকলে এই প্ৰতিশ্ৰুতিবিলাক পৰিপূৰ্ণ হোৱাক চাবলৈ বছৰ-বছৰ অপেক্ষা কৰিবলগীয়া হৈছিল।

ঈশ্বৰৰ প্ৰিয় সন্তানসকল, যদি ঈশ্বৰে কিবা এটা বিষয়ৰ বাবে আপোনাক প্ৰতিশ্ৰুতি দিছে, তেন্তে বিশ্বাসত থাকি প্ৰাৰ্থনা কৰি থাকক। হাৰ নামানিব। আপুনি বৰষুণ বা বতাহ নেদেখিব পাৰে, কিন্তু আপোনাৰ পাত্ৰ পানীৰে ভৰি পৰিব। যেতিয়া যীচুৱে হয় ক'ব, তেতিয়া কোনেও নহয় বুলি ক'ব নোৱাৰিব। তেওঁ তেওঁৰ প্ৰতিশ্ৰুতিক ৰক্ষা কৰে! আপোনাৰ বিশ্বাসক ধৰি ৰাখক, আনকি যেতিয়া কোনো বস্তুক ধৰি ৰাখিবলৈ দৰকাৰ নথকাৰসময়তো, ঈশ্বৰে যি কৈছে সেইটো হ'বই।

বৰদিনত এইটো মনত ৰখাৰ সময় যে যদিও আমি একো নেদেখো, তেতিয়াও ঈশ্বৰে আমাৰ হৈ কাৰ্য কৰি থাকে।

তেওঁৰ সময়ত সকলো বস্তু সুন্দৰ হ'ব। তেওঁৰ সময়ৰ বাবে অপেক্ষা কৰক। তেওঁৰ সময় সদায় সিদ্ধ হয়। "সকলো বিষয় সম্ভৱ হয়।" এলিজাবেথৰ দৰে, মৰিয়মৰ দৰে, চিমোনৰ আৰু হান্নাৰ দৰে সমৰ্পণ কৰি অপেক্ষা কৰক। তেওঁলোক সকলোৱে অপেক্ষা কৰিছিল আৰু ঈশ্বৰৰ প্ৰতিশ্ৰুতি পৰিপূৰ্ণতাক দেখিছিল।

## ২। শান্তিৰ উপহাৰ!

ঈশ্বৰে উপহাৰস্বৰূপে দিয়া আটাইতকৈ উত্তম দ্বিতীয় উপহাৰটো হৈছে শান্তি। তেওঁৰ নাম হৈছে শান্তিৰ ৰাজকুমাৰ! আমাৰ জীৱনত শান্তি আটাইতকৈ গুৰুত্বপূৰ্ণ, তথাপিও ইয়াক চিনাক্ত বা গ্ৰহণযোগ্য নকৰা হয়। শান্তি অবিহনে সকলো মিছা। আমাৰ এখন ডাঙৰ ঘৰ থাকিব পাৰে, দামী গাড়ী, অধিক বেতনৰ চাকৰি, জীৱন সঙ্গীৰ পৰা পোৱা উপহাৰ, এজন ধনী স্বামী, প্ৰতিভাশালী সন্তান, এই সকলো থাকিব পাৰে, তথাপিও যদি আপোনাৰ শান্তি নাথাকে, আমাৰ লগত থকা আন সকলো বস্তুৰ কোনো মূল্য নাই।

এবাৰ এজন যুৱকে মোৰ মনক স্পৰ্শ কৰি গৈছিল, "মই কান্দি কান্দি ঘৰত থকাতকৈ সৰু ঘৰত আনন্দে থকাই ভাল।" সত্য কথা কৈছো মোৰ মন তেওঁত আসক্ত হৈছিল। এনে সমাজত আমি থাকো, আমি মানুহক দেখুৱাবলৈ জীৱন-যাপন কৰো। আমি আনক আমি কিমান কৃতকাৰ্য আৰু কিমান শক্তিশালী তাকে দেখুৱাবলৈ বিচাৰো, আমাৰ বাহ্যিক সম্পত্তিৰে নিজকে জোখো। কিন্তু আভ্যন্তৰীণ সম্পত্তি - শান্তিৰ কি হ'ব?

যীচুৱে কয়, "যি শান্তি মই তোমাক দিম সেয়ে তোমাৰ সকলো পৰিস্থিতিত জুৰিব, হ'ব পাৰে আপোনা দহটা সংখ্যাৰ বা এটা সংখ্যাৰ ধন বেংকত জমা থাকিব পাৰে, হ'ব পাৰে আপোনাৰ পৰিয়াল থাকিব পাৰে বা আপুনি অকলশৰীয়া থাকিব পাৰে, হ'ব পাৰে আপুনি স্বাস্থ্যৰ বাবে চিকিৎসা আৰু দৰৱত খৰচ-বহন কৰি আছে, হ'ব পাৰে আপুনি পুৰুষ বা মহিলা হয়. ডেকা বা বৃদ্ধ হয়, কোনো চিন্তাৰ বিষয় নহয়।" যীচুৱে কয়, হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল মোৰ ওচৰলৈ আহঁা, মই তোমালোকক জিৰণি দিম (মথি ১১ঃ২৮)। মই যি শান্তি তোমালোকক দিও, জগতে তাক দিব নোৱাৰে (যোহন ১৪ঃ২৭)। ঈশ্বৰে যি শান্তি দিয়ে, এই শান্তি আমাৰ জ্ঞানৰ বাহিৰত আৰু আমাৰ কল্পনাৰ বাহিৰত। এই শান্তিকেই গুজৰি থকা সিংহৰ মাজত দানিয়েলে অনুভৱ কৰিছিল আৰু এই একেই শান্তিকেই ইব্ৰী ভাইসকলে জ্বলি থকা জুইৰ মাজত অনুভৱ কৰিছিল।

যি শান্তি যীচুৱে দিয়ে তাৰ কোনো সীমা নাই। আনকি ধুমুহাৰ মাজতো, আপুনি তেওঁৰ শান্তি অনুভৱ কৰিব পাৰিব কিয়নো তেওঁ প্ৰত্যেক পৰিস্থিতিক নিয়ন্ত্ৰণ কৰিব পাৰি। ঈশ্বৰৰ জ্ঞানৰ অবিহনে একোৱেই আপোনাক স্পৰ্শ কৰিব নোৱাৰে। এই বিশ্বাস আমাত থাকিব লাগিব। তেওঁ কেতিয়াও আমাক তল পৰিব নিদিব।

প্ৰিয় বন্ধুসকল, হয়তো আপুনি আপোনাৰ জীৱনত এটা শুকান ঋতুৰ মাজেদি গৈ আছে, হয়তো এতিয়া আপুনি এটা ঘূৰ্ণী বতাহৰ মাজত থকা পৰিস্থিতিৰ দৰে অভিজ্ঞতা পাই আছে, কিন্তু মই আপোনাক কওঁ, ময়ো তেনেকুৱা অৱস্থাত আছো এবাৰ নহয়, দুবাৰ নহয়, কিন্তু বহুত বাৰ পাই থাকো আৰু মই দেখিছো যে যীচু আজি, কালি আৰু সদাকাললৈকে একে হৈ আছে।

৬ পৃষ্ঠাত চাওঁক

नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।
माध्यम: हिन्दी
सदस्यता के लिए पंजीकृत उम्मीदवार - ATA
सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षों से सेवारत वरिष्ठ पासवान
Certificate in Ministry
Diploma in Theology
योग्यता 10 वी या अधिक
जल्दी करें!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ ডিচেম্বৰৰ পৰা ২০২৪ চনৰ ১৮ জানুৱাৰীলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

**ডিচেম্বৰ ১৯ ঃ** আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ, থিয়'ল'জিকেল যোগাযোগ্য পাঠ্যক্ৰম এই সকলোবোৰে দুখীয়া মানুহবোৰক সেৱা আগবঢ়াই আছে।

**ডিচেম্বৰ ২০ ঃ** আমাৰ অনুবাদকসকল, সহকাৰী সম্পাদকসকল, পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ আশীৰ্বাদৰ বাবে।

**ডিচেম্বৰ ২১ ঃ** মিশ্বন কৰ্মীসকলৰ মহান ত্যাগৰ বাবে।

**ডিচেম্বৰ ২২ ঃ** আমাৰ সমৰ্পিত কৰ্মীসকলৰ পৰিয়ালবৰ্গক আশীৰ্বাদ বৰষোৱাৰ বাবে।

**ডিচেম্বৰ ২৩ ঃ** আমাৰ জেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

**ডিচেম্বৰ ২৪ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ দ্বিতীয় টাৰ্ম কৃতকাৰ্যৰে সম্পূৰ্ণ হ'বলৈ আশীৰ্বাদৰ বাবে।

**ডিচেম্বৰ ২৫ ঃ** এই গোটেই বছৰটোত আমাৰ খ্ৰীষ্টিয়ান উৎসৱবোৰ পালন কৰাত কৰা আশীৰ্বাদৰ বাবে।

**ডিচেম্বৰ ২৬ ঃ** ১৬ টা ভাষাত প্ৰকাশিত আমাৰ আটাই আলোচনীৰ বাবে পঞ্জীয়নভুক্ত প্ৰমাণ পত্ৰ।

**ডিচেম্বৰ ২৭ ঃ** আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গ।

**ডিচেম্বৰ ২৮ ঃ** আমাৰ বিব্লিকৰ যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধি হোৱাৰ বাবে।

**ডিচেম্বৰ ২৯ ঃ** আমাৰ ছপাশালত ১৬ টা ভাষাত আলোচনী ছপা কৰাত সমৰ্থ হোৱাৰ বাবে আৰু মিশ্বন ক্ষেত্ৰলৈ পঠিয়াবলৈ সমৰ্থ হোৱাৰ বাবে।

**ডিচেম্বৰ ৩০ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজকেইখন গোটেই বছৰ সুন্দৰভাৱে চলি থকাৰ বাবে।

**ডিচেম্বৰ ৩১ ঃ** ২০২৩ বৰ্ষত আমাৰ সকলো অভাৱবিলাকত আচৰিতভাৱে সহায় কৰাৰ বাবে।

**জানুৱাৰী ১ ঃ** ২০২৪ বৰ্ষত গোটেই পৃথিৱীৰ লোকসকল আৰু পঢ়ুৱৈসকললৈ শান্তিৰ শুভেচ্ছা জনাইছো।

**জানুৱাৰী ২ ঃ** ২০২৪ বৰ্ষৰ বাবে সকলো মণ্ডলীৰ আৰু বিশ্বাসীৰ উত্তম অঙ্গীকাৰৰ ওপৰত অশীৰ্বাদৰ বাবে।

**জানুৱাৰী ৩ ঃ** ২০২৪ বৰ্ষত সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাক আৰু মণ্ডলীৰ আশীৰ্বাদৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**জানুৱাৰী ৪ ঃ** যুৱকবিলাকৰ হিংসা আৰু হত্যাৰ পৰা বাচিবৰ বাবে আৰু তেওঁবিলাকৰ ওপৰত পবিত্ৰ আত্মা পূৰ্ণ হ'বলৈ।

**জানুৱাৰী ৫ ঃ** সকলো পৰিয়ালত শান্তি বিৰাজমান হ'বলৈ।

**জানুৱাৰী ৬ ঃ** জগতৰ নেতাবিলাক স্বৰ্গীয় জ্ঞানেৰে পূৰ্ণ হ'বলৈ আৰু মানুহবিলাকৰ কল্যাণৰ অৰ্থে কাম কৰিবলৈ।

**জানুৱাৰী ৭ ঃ** গোটেই পৃথিৱীত থকা প্ৰত্যেক ব্যক্তিৰ আৰ্থিক অৱস্থা উন্নত হ'বলৈ।

**জানুৱাৰী ৮ ঃ** গোটেই পৃথিৱীত খ্ৰীষ্টিয়ান শৈক্ষিক অনুষ্ঠানবিলাকে নিজৰ মৰ্যাদা ৰক্ষা কৰি ৰাখিবলৈ।

**জানুৱাৰী ৯ ঃ** ঈশ্বৰৰ বাক্য পালন কৰিবলৈ আৰু খ্ৰীষ্টৰ দৰে আচৰণ কৰিবলৈ।

**জানুৱাৰী ১০ ঃ** দেশবিলাকৰ মাজত শান্তি আৰু অৰ্থনৈতিক উন্নতিৰ বাবে।

**জানুৱাৰী ১১ ঃ** এই ২০২৪ বৰ্ষত আমাৰ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ লোকসকলে ঈশ্বৰৰ পৰাক্ৰমী হাতৰ কবলত থাকিবলৈ।

**জানুৱাৰী ১২ ঃ** সকলো মণ্ডলীত চয়তানৰ শক্তিৰ বিৰুদ্ধে স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

**জানুৱাৰী ১৩ ঃ** আমাৰ সকলো মণ্ডলী আৰু অনুষ্ঠানবিলাক চৰকাৰীভাৱে পঞ্জীয়নভুক্ত হ'বলৈ।

**জানুৱাৰী ১৪ ঃ** আমাৰ অনুষ্ঠানৰ বাবে উপযুক্ত কৰ্মচাৰী পাবলৈ।

**জানুৱাৰী ১৫ ঃ** আমাৰ পৰিচৰ্যাৰ অংশীদাৰসকল আৰু ৰাজ্যিক পৰিচালকসকলে তেওঁলোকৰ কাৰ্যকলাপ বিলাকত আশীৰ্বাদ পাবলৈ।

**জানুৱাৰী ১৬ ঃ** আমাৰ জেষ্ঠ পালকৰ আত্মজীৱনী কৃতকাৰ্যৰে সম্পূৰ্ণ হ'বলৈ।

**জানুৱাৰী ১৭ ঃ** আমাৰ পৰিচৰ্যা বিস্তাৰ হ'বলৈ আৰু পৃথিৱী জুৰি শুভবাৰ্তা প্ৰচাৰ হ'বলৈ।

**জানুৱাৰী ১৮ ঃ** এই মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয় বস্তু আৰু বিষয়বিলাকক যোগাবলৈ।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

তেওঁ সদায় শান্তিৰে পৰিপূৰ্ণ হৈ থাকে। আজিয়েই ঈশ্বৰক শান্তি দিবলৈ কওক, আপোনাৰ অৱস্থা, আপুনি সন্মুখীন হোৱা পৰিস্থিতিবিলাক, যিটো দ গাঁতত আপুনি পৰি আছে, বা যি গলিয়াথৰ আপুনি সন্মুখীন হৈছে যীচুৱে আপোনাক শান্তি দিব, কিয়নো তেওঁ শান্তিৰ ৰাজকুমাৰ হয়।

আপুনি জানেনে যে যীচুৱে প্ৰথম বৰদিন প্ৰকৃততে শান্তিপূৰ্ণভাৱে পালন কৰিব পৰা হোৱা নাছিল? পৰিৱৰ্তে কিছুমান মানুহে যীচু খ্ৰীষ্টৰ জন্মৰ বিষয়ে শুনি ভয় খাইছিল। তথাপি, ভয়ৰ সময়ৰ মাজতো যিবিলাকে শুভবাৰ্তাক শুনিলে আৰু বিশ্বাস কৰিলে, তেওঁবিলাকে আনন্দ কৰিবলৈ আৰম্ভ কৰিলে। যেতিয়া স্বৰ্গদূতে মেৰৰখীয়াবিলাকক দেখা দিলে, তেওঁ ক'লে ... **"ভয় নকৰিবা... যি শুভবাৰ্তা সকলো লোকৰ কাৰণে হ'ব, সেই মহা আনন্দৰ শুভবাৰ্তা মই তোমালোকৰ আগত ঘোষণা কৰো"** (লূক ২ঃ১০)। তেওঁলোক সাধাৰণ বিশ্বাসৰ সৈতে সাধাৰণ লোক আছিল।

আৰু আন আন বস্তুবোৰ আছে যিবিলাকে আমাৰ শান্তিক বাধা দিয়েঃ ঘৃণা আৰু ক্ষমতাহীনতা, এইটোৰে মোক এটি কবিতাক মনত পেলাই দিয়েঃ

উইলিয়াম ব্লাকে লিখা কবিতা - সেই বিহ বৃক্ষ,

*মই মোৰ বন্ধুৰ ওপৰত খং কৰিছিলো;*
*মই মোৰ গভীৰ ক্ৰোধৰ বিষয়ে ক'লো, মোৰ ক্ৰোধৰ অন্ত পৰিল।*
*মই মোৰ শত্ৰুৰ ওপৰত খং কৰিছিলোঃ*
*মই কোৱা নাছিলো, মোৰ খং বাঢ়ি গৈছিল।*
*মই ভয়েৰে ইয়াত জল দিলো,*
*দিনে নিশাই মোৰ চকুলোৰেঃ*
*আৰু মই ইয়াক হাঁহিৰে ৰ'দত শুকালো,*
*আৰু কোমল প্ৰতাৰণামূলক মনোৰমৰ সৈতে,*
*আৰু দিন আৰু ৰাতি উভয়ত বৃদ্ধি হ'ল।*
*যেতিয়ালৈকে এটি আপেল উজ্জ্বল নকৰে।*
*আৰু তেওঁ জানিছিল যে এইটো মোৰ আছিল।*
*আৰু বাগিছাত চুৰি,*
*যেতিয়া মেৰুক ৰাতিয়ে ঢাকি ৰাখিছিল;*
*ৰাতিপুৱাতে দেখি মই আনন্দিত হৈছিলো,*
*মোৰ শত্ৰু বৃক্ষৰ তলত বিস্তৃত হৈ আছিল।*

এই কবিতাটি মোৰ বাবে চিৰদিনীয়া প্ৰিয় কবিতা।

আহক আমি ক্ষমা কৰি আগবাঢ়ি যাওঁহক। তেতিয়াহে আমি শান্তি পাম। যদি আমি ক্ষমাক আমাৰ হৃদয়ত ধৰি ৰাখো, শান্তিয়ে আমাক শিক্ষা দিব। হয়, মানুহে আমাক বেয়া পাব পাৰে, গভীৰ আঘাত দিব পাৰে, তাড়ণা দিব পাৰে, পিঠিৰ ফালে আঘাত কৰিব পাৰে। এইবিলাকৰ সৈতে ঈশ্বৰকহে মোকাবিলা কৰিবলৈ দিয়ক।

বোধকৰো আপুনি এতিয়াও কোনোবাক ক্ষমা কৰিবলৈ আছে, এতিয়াই সেই সময়টো লওক। এটা মেছেজ পঠাওক বা পুনৰ্মিলন কৰিবলৈ ফোন কৰক। এইদৰে কৰিবলৈ ঈশ্বৰে আপোনাক শান্তি দিয়ক।

## ৩। তেওঁৰ উপস্থিতিৰ তৃতীয় উপহাৰ!

ঈশ্বৰৰ পৰা পোৱা তৃতীয় উপহাৰটো হৈছে, তেওঁৰ উপস্থিতি। বাহ! কি যে এটা আচৰিত উপহাৰ! তেওঁৰ নাম ইম্মানুৱেল, অৰ্থ ঈশ্বৰ আমাৰ লগত।" তেওঁ আমাক কেতিয়াও পৰিত্যাগ নকৰো বুলি প্ৰতিশ্ৰুতি দিছে। তেওঁৰ উপস্থিতিত অনন্ত সুখ আছে (গীতমালা ১৬ঃ১১)। দায়ুদৰ



**তেওঁৰ উপস্থিতিত, আনন্দৰ পৰিপূৰ্ণতা আছে!**

ৰজাৰ ওচৰত সকলো বস্তু আছিল - ধন, খ্যাতি, সম্পত্তি, পদ, জয়, কিন্তু আৰু এটা বস্তুৰ বাবে তেওঁ হেঁপাহ কৰি আছিল আৰু সেইটো আছিল তেওঁ ঈশ্বৰৰ উপস্থিতিত থকাটো তেওঁৰ ৰাজপ্ৰাসাদতকৈ গুৰুত্বপূৰ্ণ আছিল। যেতিয়া দায়ুদে পাপ কৰিছিল, তেওঁ তেওঁৰ মৰ্যাদাৰ বিষয়ে চিন্তা কৰা নাছিল, তেওঁ পবিত্ৰ আত্মাৰ উপস্থিতিৰ বিষয়ে অধিক গুৰুত্ব দিছিল। তেওঁ কৈছিল, তোমাৰ সন্মুখৰ পৰা মোক দূৰ নকৰিবা, তোমাৰ পবিত্ৰ আত্মা মোৰ পৰা নিনিবা (গীতমালা ৫১ঃ১১)।

*....Contd. to page 8*


# নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয়
খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত
আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

Certificate in Ministry
Diploma in Theology

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 8.00 a.m. & 10.00 a.m. Sunday**
14. **Hindi Service : 4.00 p.m. Sunday**
15. **Telugu Service : 5.00 p.m. Sunday**
16. **English & Tamil Service : 6.00 p.m. Sunday**
17. Women's Prayer : 5.30 p.m. Wednesday
18. Men's Prayer : 7.00 p.m. Friday
19. Discipleship Meeting : 6.00 p.m. Saturday
20. House Meetings : 6.30 p.m. Tuesday & Thursday
21. Special Holy Communion : 6.00 a.m. 1st day of each month
22. Ministers Review Meeting : 5.30 p.m. First Saturday
23. Parents' Prayer : 4.00 p.m. First Sunday
24. Night Prayer : 9.30 p.m. Second Friday
25. Fasting Prayer : 9:30 a.m. Third Saturday
26. Holy Communion : Second Sunday Services
27. Youth / Kid Prayer : 10.00 p.m. daily
28. Staff Devotion : 9.00 a.m. daily
29. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৰল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## যিহোৱাই শুনে আৰু ৰক্ষা কৰে!

**THE LORD HEARS AND DELIVERS!**


**"ধাৰ্মিক লোকে সহায়ৰ কাৰণে কাতৰোক্তি কৰিলে যিহোৱাইশুনে, যিহোৱাই সকলো সঙ্কটৰ পৰা তেওঁলোকক ৰক্ষা কৰে।" গীতমালা ৩৪ঃ১৭**

মোৰ পৰিচৰ্যাৰ জীৱনৰ প্ৰথম অৱস্থাত, মোৰ আয়ৰ উপাৰ্জন কম হোৱাৰ বাবে মোৰ জীৱন-যাপন একেবাৰে সাধাৰণ আছিল। এদিন পুৱাবেলাত মোৰ স্বৰ্গীয় জ্যেষ্ঠ পালক জি. চুন্দাৰামে উপাসনাত জাননী দি ক'লে যে পৰৱৰ্তী দেওবাৰে চেন্নাইত থকা পেৰিয়াৰ থিদাল ভৱনত এটি বিশেষ সভা হ'ব। সেই সময়ত গীৰ্জাঘৰৰ বাহিৰত জোতা থোৱা ঠাইত চাবলৈ মোক দায়িত্বভাৰ দিয়া হৈছিল। গতিকে মই মোৰ এযোৰ ভাল কাপোৰ ধূলো আৰু দেওবাৰে তাক পিন্ধিবলৈ যুগুত কৰি ৰাখিলো।

তাৰ আগৰ শুকুৰবাৰে এজন যুৱকে মোৰ ওচৰলৈ আহি মোৰ বন্ধু এজনৰ ভায়েক হওঁ বুলি নিজকে চিনাকি দিলে। দুদিনৰ বাবে তেওঁক মোৰ ঘৰত থাকিবলৈ ঠাই দিবলৈ মোক অনুৰোধ কৰিছিল। মই আনন্দৰে তেওঁক মোৰ লগত থাকিবলৈ অনুমতি দিলো। মই মোৰ নিজৰ বন্ধুৰ ভায়েকক সহায় কৰি আনন্দ পাইছিলো।

কিন্তু, আচৰিত হোৱাৰ বিষয়টো হ'ল দ্বিতীয় দিনত (শনিবাৰে) যেতিয়া মই ঘৰত নাছিলো, তেওঁ মোৰ যিমান পুৰণি আৰু নতুন কাপোৰৰ লগতে মোৰ মূল্যবান বস্তুবিলাক আৰু দেওবৰীয়া উপাসনাৰ বাবে যুগুত কৰি ৰখা কাপোৰ যোৰো লৈ পলাই গ'ল। মই মোৰ আটাই কাপোৰখিনি আৰু গুৰুত্বপূৰ্ণ বস্তুবোৰক হেৰুৱালো।

তেতিয়া মই তেনে অৱস্থাত পৰি বৰ দুখ অনুভৱ কৰিছিলো, কিয়নো দেওবাৰে পিন্ধিবৰ বাবে আন এযোৰ কাপোৰ কিনিবলৈ মোৰ হাতত আৰু এটকাও নাছিল। লেতেৰা কাপোৰ পৰিধান কৰি জোতা ৰখা ঠাইতো পৰিচৰ্যা কৰাটো গ্ৰহণযোগ্য নাছিল, কিয়নো আমাৰ জ্যেষ্ঠ পালকজন কাপোৰ পৰিধান আৰু শৰীৰৰ পৰিস্কাৰৰ বিষয়ত বহুত কঠোৰ আছিল। মই বহুত হতাশাত ভুগি আছিলো আৰু তেতিয়া মই ঈশ্বৰলৈ ঘূৰি, নতুন কাপোৰ এযোৰ কিনিবলৈ কিছু টকা পাবলৈ আশা কৰিলো যদিও মোৰ বিশ্বাস লৰচৰ হৈছিল, এনে পৰিস্থিতিত সেই শনিবাৰ দিনত আবেলি বেলাত ঈশ্বৰৰ পৰা এটা আচৰিত কৰ্মৰ বাবে বিশ্বাস কৰাৰ বাদে মোৰ কোনো উপায় নাছিল।



হঠাৎ কোনোবাই মোক ঘৰৰ বাহিৰৰ পৰা মাতিলে। মই বাহিৰলৈ ওলাই গৈ তেওঁক ভিতৰলৈ মাতি আনিলো। তেওঁ এটা বেগ কঢ়িয়াই আনিছিল, তাত কেৱল কিছুমান বগা ৰঙৰ কাপোৰ আছিল সেই কাপোৰবোৰ তেওঁ মোৰ হাতত গতাই দি মোক ক'লে, "ভাই চাম, প্ৰায় ৬ মাহৰ আগতে মোৰ এজন সম্বন্ধীয়ই বিদেশৰ পৰা কিছুমান পেণ্ট আৰু চোলা আনিছিল। কিন্তু, এইবোৰ মোৰ শৰীৰত খাপ খোৱা নাই, গতিকে মই এইবোৰক আপোনাক দিবলৈ ভাবি আছো, কিয়নো এইবোৰ আপোনাৰ গাত ঠিক হৈ যাব। মোৰ মনটো কৃতজ্ঞতা আৰু আনন্দৰে পূৰ্ণ হৈ গৈছিল কিয়নো গোটেই কাপোৰখিনি মূল্যবান বিদেশী সামগ্ৰীৰে তৈয়াৰ কৰা হৈছিল আৰু মোৰ বাবে সঠিক জোখত চিলোৱা হৈছিল।

তাৰ পৰৱৰ্তী দিনত মই তাৰে এযোৰ কাপোৰ পিন্ধি উপাসনালৈ গ'লো। আমাৰ জ্যেষ্ঠ পালক জি, চুন্দৰামে মোলৈ ওপৰৰ পৰা তললৈ চাই ক'লে, ভাই চাম,তুমি আজি সুন্দৰ সাজ পৰিধান কৰিছা! "মই তেওঁক বিতংভাৱে ক'লো যে মোলৈ কি ঘটিছিল আৰু কিদৰে ঈশ্বৰে মোক আশীৰ্বাদ কৰিলে। তেৱোঁ শুনি বৰ আনন্দিত হৈছিল আৰু মোৰ কান্ধত থপ্থপাই এটা নিশ্চয়তাৰ ইংগিত দিলে। **গীতমালা ৩৪ঃ১৯**

**গীতমালা ৩৪ঃ১৯** ধাৰ্মিক লোকৰ বিপদ অনেক হলেও, সেই সকলোৰ পৰা যিহোৱেই উদ্ধা কৰে।

*******

....Contd. from page 6

যেতিয়া যীচু স্বৰ্গলৈ উঠি গৈছিল, তেওঁ কৈছিল "আৰু মই পিতৃৰ ওচৰত প্ৰাৰ্থনা কৰিম, তেওঁ যাতে তোমালোকক আন এজন সহায়কৰ্তা দিয়ে আৰু তেওঁ যেন চিৰকাল তোমালোকৰ লগত থাকে" (যোহন ১৪ঃ১৬)। আজি আমি নিজকে প্ৰশ্ন কৰি চাওঁ, আমি আমাৰ জীৱনত, আমাৰ পৰিয়ালত, আমাৰ ঘৰত আৰু স্বামী আৰু স্ত্ৰীৰ মাজৰ সম্পৰ্কত ঈশ্বৰৰ উপস্থিতিৰ বৰদান আছেনে? আমি ঈশ্বৰৰ উপস্থিতিক প্ৰথম স্থান দিওঁনে এই জগতক প্ৰথম স্থান দিওঁ? এই বৰদিনৰ সময়ত আমি নিজকে প্ৰশ্ন কৰিবলগীয়া আছে।

### ৪। ঈশ্বৰৰ শক্তিৰ উপহাৰ!

আমাৰ জীৱনত ৰাজকুমাৰ আনটো উপহাৰ হৈছে তেওঁৰ অসাধাৰণ আৰু তেওঁৰ পৰাক্ৰম। আদিপুস্তক ৩ঃ১৫ পদত যীচুৰ জন্মৰ বিষয়ে প্ৰতিশ্ৰুতি দিয়াৰ পৰিপূৰ্ণতা হৈছে, এইয়েই ত্ৰাণকৰ্তাৰ প্ৰথম প্ৰতিশ্ৰুতি। পদটি এইদৰে কয় যে, **মই তোৰ আৰু নাৰীৰ মাজত, তোৰ বংশ আৰু নাৰীৰ বংশেৰে মাজত শত্ৰুতা সৃষ্টি কৰিম, তেওঁ তোৰ মূৰ গুড়ি কৰিব আৰু তই তেওঁৰ গোৰোহা গুড়ি কৰিবি।** আদিপুস্তক ৩ঃ১৫।

এই পদটিয়ে চয়তান আৰু মানৱজাতিৰ মাজত চৰিস্থায়ীবাৰে এটা শত্ৰুতাৰ সৃষ্টি কৰিলে। কিন্তু যীচু খ্ৰীষ্টৰ জন্মই চয়তানত থকা শক্তিক চুৰমাৰ কৰি দিলে আৰু ঈশ্বৰৰ স্বৰ্গীয় পৰিকল্পনাক চয়তানে বাধা দিব নোৱাৰিলে। সি যীচুৰ জন্মৰ সময়ত শিশুবিলাকক বধ কৰি স্বৰ্গীয় পৰিকল্পনাক ধ্বংস কৰিব বিচাৰিছিল। যি হওক চয়তানৰ উদ্দেশ্য বৃথাই গ'ল, কিয়নো ঈশ্বৰৰ পৰিকল্পনাক ধ্বংস কৰিব নোৱাৰি। প্ৰিয় সন্তানসকল, আপোনাৰ আৰু মোৰ বাবে ঈশ্বৰৰ হাতত থকা পৰিকল্পনাক কোনেও ধ্বংস আনকি যেতিয়া আপোনাৰ বৰ্তমানৰ পৰিস্থিতিয়ে অন্য পৰামৰ্শ দিলেও মনত ৰাখিব যে যিচয়াই **প্ৰভুক উচ্চ আৰু উন্নত সিংহাসনত বহি থকা দেখিলে** (যিচয়া ৬ঃ১)। আমাৰ প্ৰভুৱে ৰাজত্ব কৰে! প্ৰধান অধিকাৰটো কেৱল প্ৰভুতহে আছে। আমাৰ পদক্ষেপবোৰক ঈশ্বৰে নিৰ্দেশ দিয়ে আৰু সাগৰৰ ঢৌবোৰক সীমিত কৰি ৰাখে। ঈশ্বৰে কয়, "মোৰ উদ্দেশ্য সদায় দৃঢ় হৈ থাকিব!" আমাৰ ঈশ্বৰ তেওঁৰ শক্তিত অসাধাৰণ আৰু পৰাক্ৰমী হৈ থাকে!

তেওঁ আমাক বিজয়ী হোৱাটো বিচাৰে আৰু আমাৰ পৰিস্থিতিবিলাকৰ ব্যৰ্থতাৰ পৰাজয়ৰ, পাপবোৰৰ, অভিশাপবোৰৰ আৰু চয়তানৰ ওপৰত জয়ী হোৱাটো বিচাৰে! পৰাজয় স্বীকাৰ নকৰিব! বৰদিনে আমাক মনত পেলাই দিয়ে যে আমি বিজয়ীতকৈয়ো অধিক শক্তিশালী,এলিছাবেথে অভিশাপক পৰাজয় কৰিলে, মৰিয়মে সামাজিক কলঙ্কক পৰাজয় কৰিলে আৰু মানৱজাতিয়ে পাপ আৰু চয়তানক পৰাজয় কৰিলে।

আপুনি কিহৰ বাবে অপেক্ষা কৰিছে? মনত ৰাখিব, আমি বিজয়ীতকৈয়ো অধিক শক্তিশালী!

## ৫। ক্ষমাৰ উপহাৰ!



*Forgiveness of Jesus Christ*

অৱশেষত যেতিয়া ঈশ্বৰে এই পৃথিৱীক সৃষ্টিকৰিলে, তেওঁ দেখিলে যে এইটো উত্তম, সুন্দৰ আৰু সিদ্ধ আছিল। কিন্তু, অবাধ্যতাৰ যোগেদি পাপৰ প্ৰৱেশ হ'ল আৰু সকলো পৰিৱৰ্তন হ'ল। ইয়াৰ দ্বাৰাই পাপ হ'ল আৰু মানৱজাতিয়ে পাপৰ পৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰি আছে ইয়াৰ পৰিণামো ভুগি আছে। এনে মতামত প্ৰত্যেক ধৰ্মতে আছে। বাইবেলে কয় যে, ... পাপৰ বেচ মৃত্যু ... ৰোমীয়া ৬ঃ২৩। আন বাক্যত ক'লে, আমাৰ পাপময় ব্যৱহাৰবোৰে কেৱল আমাৰ শাৰীৰিক মৃত্যুতে সীমিত হৈ থকা নাই কিন্তু আত্মিক মৃত্যুতো আছে। পাপেআমাক ঈশ্বৰৰ পৰা পৃথক কৰি দিছে, আমাৰ মাজত এটা ডাঙৰ শূণ্য সৃষ্টি কৰিছে। কিন্তু যীচুৰ জন্মই এই দূৰত্বৰ আগত শেষ আঁচ টানি দিছে। যেতিয়া যীচু এই জগতলৈ আহিছিল তেওঁৰ উদ্দেশ্য আছিল যে আমাৰ শান্তিৰ স্থান তেওঁ ল'ব আৰু আমাৰ পাপৰ বাবে তেওঁ প্ৰাণ দিব। ক্ৰুচত মৃত্যু হোৱাৰ দ্বাৰাই যীচুৱে আমালৈ এটা বিশেষ "অনুগ্ৰহ" উপহাৰস্বৰূপে দান দিলে। বৰদিনে ঈশ্বৰৰ নিকা,স্বাৰ্থহীন প্ৰেম যি অনুগ্ৰহৰ ৰূপত আহে, তাকে সোঁৱৰণ কৰায়। তাৰোপৰি, ৰোমীয়া ৮ঃ৩৪ পদত উল্লেখ কৰে যে যীচুৱে একেৰাহে আমাৰ হৈ মধ্যস্থতা কৰি আছে। এইটো গুৰুত্বপূৰ্ণ বিষয় যে কোনো পাপ ইমান ডাঙৰ নহয় যে তাক অনুগ্ৰহে ঢাকিব নোৱাৰে।

প্ৰিয় বন্ধুসকল, এই জগতৰ হেঁচা, আমাৰ দৈনিক জীৱনৰ চাহিদাসমূহ আৰু প্ৰত্যাহবানবোৰে আমাক ঈশ্বৰৰ পৰা দূৰলৈ লৈ যায়। যদি আপুনি নিজকে ঈশ্বৰৰ পৰা দূৰলৈ গুচি যোৱা যেন পাইছে, তেওঁলৈ ঘূৰি আহিবলৈ এতিয়াই সঠিক সময়।

যীচুৱে আমাক প্ৰেম কৰে আৰু আমাক ক্ষমা দিব বিচাৰি আছে। তেওঁ ইচ্ছা কৰে যাতে আমি তেওঁৰ সৈতে এটা ব্যক্তিগত সম্পৰ্ক ৰাখিম।

প্ৰিয় বন্ধুসকল, মই প্ৰাৰ্থনা কৰোঁ যাতে এই বৰদিন আপোনাৰ বাবে এটা পূৰ্ণ বৰদিন হ'ব। ৰাজকুমাৰৰ এই পাচঁোটা উপহাৰক আপুনি উপভোগ কৰক। মই প্ৰাৰ্থনা কৰোঁ যাতে আপুনি সদায় তেওঁক এজন প্ৰতিশ্ৰুতি ৰক্ষা কৰা জনা বুলি মনত ৰাখিব, তেওঁ ইয়াক পৰিপূৰ্ণ কৰিববলৈ যিমানেই সময় লওক। ধুমুহাৰ মাজতো তেওঁ শান্তি দিয়ে। তেওঁৰ উপস্থিতি সদায় আপোনাৰ থাকক, আনকি যেতিয়া তেওঁক নেদেখো বা অনুভৱ কৰোঁ। আমাৰ শেষ নিশ্বাস পৰ্যন্ত তেওঁ আমাৰ লগত থাকিব। তেওঁ এজন শক্তিশালী ঈশ্বৰ, গতিকে আমি ভয় কৰিব নালাগে। তেওঁ আমাক কেৱল বিজয়ী কৰি তুলিব এনে নহয়, কিন্তু বিজয়ীতকৈয়ো অধিক শক্তিশালী কৰিব। অৱশেষত, তেওঁ আপোনাক তেওঁৰ বাহুত আকোঁৱালি ল'বলৈ অপেক্ষা কৰি আছে আৰু আপুনি যিদৰে আছে তেনেদৰে গ্ৰহণ কৰিব।

ৰাজকুমাৰৰ এই পাঁচটা উপহাৰক আপুনি যদি গ্ৰহণ কৰে, তেন্তে আপুনি বৰদিনৰ প্ৰকৃত অৰ্থক উপভোগ কৰিব পাৰিব!

আপোনালোকক এইট আশীৰ্বাদপ্ৰাপ্ত, আনন্দময় আৰু অৰ্থপূৰ্ণ বৰদিনৰ শুভেচ্ছা জনালো!

❖❖❖❖❖


# WANTED for

**NEHEMIAH BIBLE COLLEGE of ECHO OF HIS CALL, Chennai (ATA Candidate)**

1. **DEAN (Residential):** Hindi Theologian with M.Div. / M.Th. Degree & experience.
2. **VICE-PRINCIPAL:** English / Tamil / Hindi Theologian with M.Div. / M.Th. & experience.
3. **CO-ORDINATOR:** With Computer / Typing knowledge in English, Tamil & Hindi.

Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98410 71858


## জৰুৰী

আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে হিন্দী ভাষাত ১০০০ খন খ্ৰীষ্টিয়ান পুস্তকৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি এই থিয়'ল'জি সম্বন্ধীয় পুস্তকবোৰ পোৱাৰ সম্ভাৱনা থাকিলে আমাক জনাওক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

## লাইবেৰী পুস্তকৰ প্ৰয়োজন

আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন আৰু নহিমিয়া বাইবেল কলেজৰ বাবে আমাৰ লাইবেৰীত তামিল, ইংৰাজী আৰু হিন্দী ভাষাত থকা পুস্তকৰ প্ৰয়োজন হৈছে। যদি আপোনাৰ হাতত লগত নতুন বা পুৰণি পুস্তক ভাল অৱস্থাত আছে আৰু যদি আপুনি এইবোৰক আমালৈ দান কৰিব বিচাৰে তেন্তে অনুগ্ৰহ কৰি আমাৰ সৈতে যোগাযোগ কৰক।

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা　　জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th DECEMBER 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**